**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-04-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনৰ কেইবাটাও লোকসভা সমষ্টিত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যৱেক্ষক উপস্থিত হয়। কৰিমগঞ্জ সংসদীয় সমষ্টিৰ সাধাৰণ পৰ্যৱেক্ষক আদিত্য কুমাৰ আনন্দ, কৰিমগঞ্জৰ অতিৰিক্ত আৱৰ্ত ভৱনত উপস্থিত হয়। পৰ্যৱেক্ষকগৰাকীক সাধাৰণ মানুহে প্ৰতিদিনে বিয়লি ৩ বজাৰ পৰা ৪ বজালৈ সাক্ষাৎ কৰিব পাৰিব। পৰ্যৱেক্ষকগৰাকীৰ ফোন নম্বৰ হৈছে, 84720 80023 আৰু ই-মেইল আইডি হৈছে adityak.anand@ias.nic.in

যোৰহাট লোকসভা সমষ্টিত নিয়োজিত সাধাৰণ পৰ্যৱেক্ষক এম সত্যসাৰদা দেৱীয়ে কালি শিৱসাগৰ নিৰ্বাচনী জিলাৰ ডিমৌ বিধানসভা  সমষ্টিৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যৱেক্ষণ কৰে। ডিমৌত পৰ্যৱেক্ষকগৰাকীয়ে ৮৫ বৰ্ষৰ ঊৰ্ধৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰসকলৰ বাবে ঘৰে ঘৰে সম্পন্ন কৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া পৰ্যৱেক্ষণ কৰে। ইয়াৰ পাছত তেওঁ শিৱসাগৰ জিলা নিৰ্বাচনী বিষয়া তথা আয়ুক্ত বিক্ৰম যাদৱ আৰু নিৰ্বাচনী কোষসমূহৰ দায়িত্বৱাহী বিষয়াসকলৰ সৈতে মিলিত হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰু অগ্ৰগতিৰ বুজ লয়।

নগাঁও লোকসভা সমষ্টিটো নিৰ্বাচনী সাধাৰণ পৰ্যৱেক্ষক এইচ বাসৱৰাজেন্দ্ৰ উপস্থিত হৈ আজি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি নিৰ্বাচনৰ প্ৰস্তুতি আৰু কাম-কাজ পৰ্যৱেক্ষণ কৰে। পৰ্যৱেক্ষকগৰাকীয়ে নগাঁও সংসদীয় সমষ্টিৰ ৰিটাৰ্নিং বিষয়া নৰেন্দ্ৰ কুমাৰ শ্বাহৰ উপস্থিতিত জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হোৱা **মনোনয়ন পত্ৰ দাখিল** আৰু **পৰীক্ষণ** দুয়োটা কাৰ্যসূচী নিৰীক্ষণ কৰে। নিৰ্বাচন সম্বন্ধীয় যিকোনো অভিযোগৰ বাবে সাধাৰণ পৰ্যৱেক্ষক গৰাকীক 8472047881 নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০

ৰাজ্যত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিশেষকৈ প্ৰথম পৰ্যায়ত কাজিৰঙা, ডিব্ৰুগড়, লখিমপুৰ, শোণিতপুৰ আৰু যোৰহাট লোকসভা সমষ্টিত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলিছে। শাসকীয় বিজেপিকে ধৰি কংগ্ৰেছ, আম আদমী পাৰ্টী, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফ আদি দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ডিগবৈত বিজয় সংকল্প সমদলত অংশগ্ৰহণ কৰাৰ পাছত টিংখাঙৰ ঔগুৰিত  অনুষ্ঠিত নিৰ্বাচনী সভাত সোণোৱালৰ হৈ প্ৰচাৰ অভিযান চলায়।  লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সোণোৱালে জোনাইত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ পৰা হেলিকপ্তাৰযোগে গৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জোনাইৰ জোন কাৰেঙত অনুষ্ঠিত নিৰ্বাচনী সভাত বিজেপিক ভোট দিবলৈ আহ্বান জনায়। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই আজি চৰাইদেউত যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈৰ হৈ প্ৰচাৰ চলায়। চৰাইদেউ বিধানসভা সমষ্টিৰ তিনিটা স্থানত তেওঁ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে শিৱসাগৰ নগৰত অনুষ্ঠিত নিৰ্বাচনী সভাতো তপন

গগৈক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়। ইপিনে, কেবিনেট মন্ত্রী অতুল বৰা, কেশৱ মহন্ত আৰু অজন্তা নেওগে তপন গগৈৰ হৈ প্ৰচাৰ চলাবলৈ মাজুলীত কেইবাখনো সভাত অংশগ্ৰহণ কৰে। মন্ত্রী পীযুষ হাজৰিকাই যোৰহাট সমষ্টিৰ অন্তৰ্গত ঘৰফলীয়াত বিজেপিৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে, যোৰহাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ, নগাঁও সমষ্টিৰ প্ৰদ্যুৎ বৰদলৈ আৰু কাজিৰঙা সমষ্টিৰ ৰ'জলীনা টিৰ্কীয়েও প্ৰচাৰ অভিযান চলাইছে। গৌৰৱ গগৈয়ে যোৰহাটৰ গড়মূৰত দলীয় সমৰ্থকক লৈ মটৰ চাইকেল সমদলেৰে নিৰ্বাচনী প্ৰচাৰ চলায়। কাজিৰঙা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা টিৰ্কীয়েও ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। নৱগঠিত কাজিৰঙা সমষ্টিৰ অন্তৰ্গত ৰাজাগাঁও, বৰপথাৰ, শিঙিমাৰী আৰু বকুলগুৰিত তেওঁ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নিৰ্বাচনী সভাত প্ৰাৰ্থীগৰাকীক জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই সহযোগ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মিহিমুখত আজি বিয়লি সংঘটিত হোৱা গুলীচালনাৰ ঘটনাত ২ নম্বৰ কহঁৰাৰ মুন আলী নামৰ এজন লোক আহত হয়। উল্লেখযোগ্য যে চোৰাং চিকাৰীৰ সন্দেহতেই উদ্যানত নিয়োজিত বনকৰ্মীয়ে লোকজনলৈ গুলীচালনা কৰে বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। আহত লোকজনক বোকাখাটৰ শ্বহীদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও উন্নত চিকিৎসাৰ বাবে বৰ্তমান যোৰহাটলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। লেফটেনেণ্ট মোহিনী নাথ ফুকনৰ প্ৰতিমুৰ্তিত পুস্পাঞ্জলি অৰ্পনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আয়োজিত হয়। ইয়াৰ পাছতে প্ৰশাসনীক ভৱনৰ চৌহদত পতাকা উত্তোলন কৰা হয়। অনুষ্ঠানত ব্ৰহ্মপুত্ৰ উপত্যকা, সাৰ নিগম লিমিটেডৰ মুখ্য পৰিচালন সঞ্চালক বি কে বনিক, বিত্ত বিভাগৰ সঞ্চালক এছ চি দাস উপস্থিত থাকে।

০০০০০

আজি নিশা চাৰে আঠ বজাত চলন্তিকা লোকনিৰ্ণয় ২০২৪ অনুষ্ঠানত তিনিচুকীয়া জিলাত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্ত স্বপ্নীল পালৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎকাৰ গ্ৰহণ কৰিছে আকাশবাণীৰ তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণে।

০০০০০

ঃসমাপ্তঃ